# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 11-10 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

**-------------------**

১। ন্যায় প্ৰদান ব্যৱস্থা ডিজিটেল ৰূপান্তৰকৰণে ন্যায়প্ৰাপ্তিক অধিক সহজলভ্য কৰি তুলিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। অসম আৰক্ষীৰ কনিষ্টবলৰ ৫ হাজাৰ ৬১৪টা পদৰ পৰীক্ষাৰ ফলাফল ঘোষণা।

৩। কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ।

৪। আজি আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন। ***আৰু***

৫। দিল্লী টেষ্টত ভাৰতৰ প্ৰথম ইনিংছৰ ৫১৮ ৰানত প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজৰ দ্বিতীয় দিনৰ খেলৰ সামৰণিত ৪ উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ।

ooooo

ন্যায় প্ৰদান ব্যৱস্থা ডিজিটেল ৰূপান্তৰকৰণে ন্যায়প্ৰাপ্তিক অধিক সহজলভ্য কৰি তুলিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ উপস্থিতিত আজি গুৱাহাটীত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ পূৰ্বাঞ্চলীয় আঞ্চলিক সন্মিলনত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সহযোগত অনুষ্ঠিত এই সন্মিলনত ন্যায়িক লাভৰ ক্ষেত্ৰত সৰ্বসাধাৰণৰ বাবে সম সুযোগ সৃষ্টি আৰু সকলো নাগৰিকৰ বাবে ন্যায় নিশ্চিতকৰণত প্ৰযুক্তিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত কয় যে প্ৰযুক্তি ব্যৱহাৰে ন্যায় প্ৰদান ব্যৱস্থাক সুচল কৰি তুলিছে। ভাৰ্চুৱেল আদালত ব্যৱস্থাই আইন সেৱা অধিক স্বচ্ছ কৰি তোলাৰ লগতে ইয়াৰ ক্ষমতাও বৃদ্ধি কৰিছে বুলি তেওঁ মন্তব্য কৰে।

**বাইট (মুখ্যমন্ত্ৰী)**

মুখ্যমন্ত্ৰীয়ে আইনক ৰাজ্য আৰু নাগৰিকৰ মাজৰ বিশ্বাসৰ সাঁকো বুলিও অভিহিত কৰে। ন্যায়পালিকাই সামাজিক আৰু অৰ্থনৈতিক প্ৰতিবন্ধকতা নেওচি সকলোৰে বাবে সম ন্যায় প্ৰদানৰ সাংবিধানিক প্ৰতিশ্ৰুতি পূৰণ কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য আগবঢ়ায়। দৰিদ্ৰ আৰু আওহতীয়া অঞ্চলৰ পীড়িতজনেও ন্যায় লাভৰ সুবিধাৰ পৰা বঞ্চিত নোহোৱাটো ন্যায়পালিকাই নিশ্চিত কৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে লোক আদালত আৰু আইন সেৱা সজাগতা কাৰ্যসূচীসমূহে জনসাধাৰণক আইনী সুবিধা লাভ কৰাত সহায় কৰিছে। ফাষ্টট্ৰেক আদালত, ন্যায়াধীকৰণ আৰু পকছ' আদালতৰ জৰিয়তে ৰাজ্যখনত বিচাৰাধীন গোচৰসমূহ দ্ৰুতভাৱে নিষ্পত্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত আজি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হয়। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদৰ আনুষ্ঠানিক ৱেবছাইট SLPRB ASSAM.IN আপলোড কৰা হৈছে।

ইপিনে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে কালি ৭ হাজাৰ ৬৫০টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। ফলাফলত উত্তীৰ্ণ প্ৰাৰ্থীসকলে ৫০ টা বিভাগত নিযুক্তি লাভ কৰিব। ইয়াৰ ভিতৰত কৃষি বিভাগত সৰ্বাধিক এহেজাৰ ৮৫০ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৮৭৩ টা আৰু বিদ্যালয় শিক্ষা বিভাগত ৫৮১ টা পদ খালী আছে।

তৃতীয় বৰ্গৰ পদৰ ফলাফলৰ লগতে অসম আৰক্ষীৰ ৬২৫ টা পদৰ ফলাফলো কালি ঘোষণা কৰা হয়।

ইপিনে, স্বাস্থ্য বিভাগে কাইলৈ ৩ হাজাৰ ৬৯৮টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। চিকিৎসা শিক্ষা সঞ্চালকালয়, স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু আয়ুষকে ধৰি স্বাস্থ্য বিভাগৰ অধীনৰ এই পদসমূহৰ ফলাফল ঘোষণাৰে স্বচ্ছ নিযুক্তিৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি স্থাপন হ'ব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৃষি গৱেষণা প্ৰতিষ্ঠানত ৩৫ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে প্ৰধানমন্ত্ৰীৰ ধন-ধান্য কৃষি যোজনা আৰু দাইল উৎপাদনত আত্মনিৰ্ভৰশীলতা অভিযান নামৰ কৃষিক্ষেত্ৰৰ দুটা উদ্যান মুকলি কৰে। যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত এই কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰত কৃষি মন্ত্ৰী অতুল বৰা উপস্থিত থাকে। এই আঁচনিৰ জৰিয়তে দেশৰ কৃষি খণ্ড অধিক সমৃদ্ধিশালী হ'ব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। আজি প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰা এই প্ৰকল্পসমূহৰ ফলত দেশৰ কেইবালাখ কৃষক উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

00000

ৰাজ্যৰ নৱপ্ৰজন্মক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে অসম চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য মেলা অনুষ্ঠিত কৰিছে। যোৰহাট জিলাৰ তিতাবৰ বিধানসভা সমষ্টিত আজি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এই মেলা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে বৰহোলাৰ খেৰেমা বনুৱা আদৰ্শ অংগনবাড়ী কেন্দ্ৰটোও আনুষ্ঠানিকভাৱে উদ্বোন কৰে। মন্ত্ৰীগৰাকীয়ে আজি তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত ৰাজ্যৰ সমাজ কল্যাণ বিভাগে নিৰ্মাণ কৰা এনে চাৰিটা অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে।

00000

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ বাবে কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰা শিল্পীগৰাকীৰ ভিছেৰা প্ৰতিবেদন আজি আৰক্ষীয়ে লাভ কৰাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৈ প্ৰেৰণ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনে এই সন্দৰ্ভত গঠন কৰা তদন্ত সমিতিয়ে প্ৰতিবেদন পুংখানুপুংখভাৱে পৰীক্ষা কৰিব। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল যদিও মৃত্যুৰ ঘটনাক লৈ সন্দেহ ঘণীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল আৰু ভিছেৰা নতুন দিল্লীলৈ প্ৰেৰণ কৰা হৈছিল। এই সন্দৰ্ভত শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট**

শ্ৰীগুপ্তাই কয় যে ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দেশখনক এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ইতিপূৰ্বে অৱগত কৰোৱা হৈছে। তেওঁ কয় যে গৃহ মন্ত্ৰালয়ে ছিংগাপুৰৰ এটৰ্ণী জেনেৰেলক এই বিষয়ে সম্পূৰ্ণ ৰূপে অৱগত কৰোৱাৰ পাছত ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকা হৈছে বুলিও তেওঁ কয়। তদুপৰি জুবিন গাৰ্গৰ

মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে।

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই এই তদন্ত প্ৰক্ৰিয়া সন্দৰ্ভত কয় যে ৰাজ্য চৰকাৰৰ তত্বাৱধানত অসম আৰক্ষীয়ে এই তদন্ত প্ৰক্ৰিয়া নিয়াৰিকৈ চলাই আছে আৰু ন্যায়পালিকাৰ ওপৰত আস্থা ৰখা হৈছে। অসমীয়া প্ৰাণৰ শিল্পীগৰাকীয়ে নিশ্চিতভাৱে ন্যায় লাভ কৰিব বুলিও তেওঁ মন্তব্য কৰে।

**বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

ইপিনে, শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আজিও আৰক্ষীয়ে কেইবাজনো লোকক সোধা-পোচা কৰে। জুবিন গাৰ্গৰ সহশিল্পী শতাব্দী বৰাৰো আজি আৰক্ষীয়ে ভাষ্য গ্ৰহণ কৰে।

০০০০০

ঝাৰখণ্ডত এটা আই ই ডি বিস্ফোৰণত নগাওঁৰ চি আৰ পি এফ কণিষ্টবল মহেন্দ্ৰ লস্কৰৰ মৃত্যু হৈছে। মহেন্দ্ৰ লস্কৰ চি আৰ পি এফৰ ৬০ নম্বৰ বেটেলিয়নৰ কণিষ্টবল আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহেন্দ্ৰ লস্কৰৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনাই শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। ছোছিয়েল মিডিয়াৰ এটা বাৰ্তাযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰই তেখেতৰ এই ত্যাগক সদায় স্মৰণ কৰিব।

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস। প্ৰতিগৰাকী কন্যাই যাতে সুৰক্ষা আৰু মৰ্যাদাপূৰ্ণ জীৱন লাভ কৰিব পাৰে তাৰ বাবে সজাগ ভূমিকা পালন কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। তেওঁ লগতে দিৱস উপলক্ষে প্ৰতিগৰাকী কন্যা সন্তানলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যৰ বিভিন্ন জিলাত আজি দিৱসৰ সৈতে সংগতি ৰাখি কাৰ্যসূচী অনুষ্ঠিত হৈছে। বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আজি বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীয়ে নিজৰ ভাষণত সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত কন্যা শিশুৰ সবলীকৰণৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। বজালী জিলাৰ অন্যান্য অঞ্চলতো এই দিৱস উদযাপন কৰা হয়।

কোকৰাঝাৰ জিলাতো আজি নিদান ফাউণ্ডেচনৰ উদ্যোগত এই দিৱস উদযাপন কৰা হয়। এই উপলক্ষে মডাৰ্ণ ইংলিছ স্কুল আৰু ডেষ্টিনেচন শিশু গৃহত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত ছ'ল চলচ্চিত্ৰ মহোৎসৱত পুৰস্কাৰসমূহ আজি বিতৰণ কৰা হয়। মাও দ্য স্পিৰিট ড্ৰীমছ অব চেৰাও নামৰ ছবিখনৰ পৰিচালক শিল্পীকা বৰদলৈয়ে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। হীৰকজ্যোতি হাজৰিকা পৰিচালিত ইস্তি ছবিখনে শ্ৰেষ্ঠ ছবিৰ পুৰস্কাৰ লাভ কৰে। একেদৰে অলকেশ পাঠকৰ বাইখো ছবিখনে দ্বিতীয় আৰু পাপাই নালোৰ বিনায়াট ছবিখনে তৃতীয় পুৰস্কাৰ লাভ কৰে। নিহাৰ ৰঞ্জন গগৈক বৈ ফ্ৰা নামৰ ছবিৰ বাবে শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰীৰ পুৰস্কাৰ দিয়া হয়।

০০০০০

আকাশবাণীৰ সৈতে সম্পৰ্ক আৰু আকাশবাণীৰ বৰ্তমানৰ অনুষ্ঠানসমূহৰ মান সম্পৰ্কত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আগবঢ়োৱা মতামতেৰে আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব এটা বিশেষ দৃষ্টিপাত। এই অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী কল্পবিজ্ঞান লেখক ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে অংশগ্ৰহণ কৰিব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া শেৱালী চৌধুৰী, বিশিষ্ট শিল্পী, বনচাই বিশেষজ্ঞ লাবু সেনাপতি আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই অনুষ্ঠানত ভাগ ল'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনৰ পৃষ্ঠপোষকতাত গঢ় লোৱা দৰং কৰ্কট কেন্দ্ৰ আজি বিশ্ব হচপিচ আৰু পেলিয়েটিভ কেয়াৰ দিৱস ২০২৫ পালন কৰা হয়। দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ ছৈয়দ ইফতিকাৰ শুভানী আৰু দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক নাৰ্চ, কৰ্মচাৰী আৰু একাংশ ৰোগীৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত আঁত ধৰে। আনহাতে, দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ সূৰ্য্যকান্ত আচাৰ্য, ডাঃ ছহিদুল ইছলাম, ডাঃ ৰুবিনা য়াছমিন আৰু পেলিয়েটিভ নাৰ্চ নয়না শৰ্মাই পেলিয়েটিভ ৰোগীসকলৰ চিকিৎসা আৰু সাৱধানতাৰ লগতে হচপিচ আৰু পেলিয়েটিভ কেয়াৰ দিৱস সন্দৰ্ভত বিতংভাৱে বক্তব্য আগবঢ়ায়।

০০০০০

ঐক্য, শান্তি আৰু সমন্বয়ৰ সংকল্পৰে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শিলচৰৰ বংগ ভৱনত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিবেশন অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলনেৰে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। পতাকা উত্তোলন কৰে কাছাৰ জিলাৰ সাহিত্য সভাৰ সভাপতি ড° যোগেশ্বৰ বৰ্মনে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা সভাৰ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলৰ নাম পঞ্জীয়নৰ অন্তত ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি কৌশিক ৰায়ে কাৰ্যনিৰ্বাহক অধিবেশনৰ উদ্বোধন কৰে। সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত **বৰাক বৈভৱ** শীৰ্ষক স্মৃতি গ্ৰন্থ, অসম সাহিত্য সভাৰ পত্ৰিকা আৰু বাৰ্তা উন্মোচন কৰা হয়। আজিৰ কাৰ্যনিৰ্বাহকত কাচাৰ, শ্ৰীভূমি আৰু হাইলাকাণ্ডি জিলাত চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ লগতে সীমা সমস্যা সমাধান, বৰাক উপত্যকাৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰা, অসমীয়া আৰু বাংলা ভাষাৰ অনুবাদ, টোকলাই চাহ গৱেষণা কেন্দ্ৰত চৰকাৰৰ হস্তক্ষেপ, শিলচৰ ৰে'ল ষ্টেছনৰ নাম পৰিৱৰ্তন কৰি ভাষা ছহিদ ষ্টেছন নাম ৰখাৰ দাবী চৰকাৰৰ ওচৰত তুলি ধৰাকে ধৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০০

আমিনগাঁৱত চলি থকা ডব্লিঅ' এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন ছেম্পিয়নশ্বিপৰ দলীয় শাখাৰ আজি ফাইনেল খেলত ইণ্ডোনেছিয়াক ২-০ পোনপটীয়া ছেটত হৰুৱাই চীনে নতুন ছেম্পিয়নৰ খিতাপ দখল কৰে। ভাৰতে প্ৰথমবাৰৰ বাবে ডব্লিঅ' এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন ছেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। খেলৰ অন্তত বেডমিণ্টন ফেডাৰেছন অৱ ইণ্ডিয়াৰ সভাপতি তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছেম্পিয়ন দল চীনক বঁটা প্ৰদান কৰে। বঁটা প্ৰদানৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে বিশ্বৰ ভিন্ন দেশৰ ছাটলাৰ অসমলৈ আহি প্ৰতিযোগিতাত ভাগ লোৱাটো অসমৰ বাবে এক আশাপ্ৰদ হ'ব।

বাইট

০০০০০

তেজপুৰত অনুষ্ঠিত ৫৩ সংখ্যক সদৌ অসম ৰাজ্যিক ভাৰোত্তোলন প্ৰতিযোগিতাত ধেমাজী জিলা মহিলা ভাৰোত্তোলন দলটোৱে শ্ৰেষ্ঠ ভাৰোত্তোলকৰ সন্মান আৰু লুনা সোণোৱাল যুৱ শাখাত শ্ৰেষ্ঠ ভাৰোত্তোলকৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাখনত ধেমাজি জিলাৰ খেলুৱৈসকলে ১২ টা সোণ, ৮ টা ৰূপ আৰু ৫ টা ব্ৰঞ্জৰ পদকেৰে মুঠ ২৫ টা পদক লাভ কৰিছে। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা ধেমাজি সমষ্টিৰ বিধায়ক ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰেষ্ঠ ভাৰোত্তোলকৰ সন্মান লাভ কৰা ধেমাজী জিলাৰ মহিলা দলটোৰ খেলুৱৈ তথা প্ৰশিক্ষকসকলক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনায়।

০০০০০

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে চলিত টেষ্ট ক্ৰিকেট মেচখনত দ্বিতীয় দিনৰ অন্তত প্ৰথম ইনিংছত আলহী দলটো ৪টা উইকেট হেৰুৱাই ৩৭৮ ৰানৰ পাছপৰি আছে। ভাৰতে কালি ২ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩১৮ ৰানৰ পৰা

আজিৰ খেল আৰম্ভ হয়। ভাৰতে ৫ টা উইকেট হেৰুৱাই ৫১৮ ৰান সংগ্ৰহ কৰি ইনিংছ ঘোষণা কৰে। কালি অপৰাজিত হৈ থকা ভাৰতৰ যশস্বী জয়ছোৱালে ১৭৫ ৰানত উইকেট হেৰুৱায়। অধিনায়ক শুভমন গীলে অপৰাজিত ১২৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আলহী দলটোৱে দিনান্তত ৪ উইকেট হেৰুৱাই ১৪০ ৰান সংগ্ৰহ কৰে। বৰ্তমান দলটো ৩৭৮ ৰানত পিছপৰি আছে।

ooooo

সমাপ্ত